NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-09-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

000000000

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাতৃভাষাত শিক্ষা গ্ৰহণৰ গুৰুত্বত আলোকপাত কৰিছে।

২। উত্তৰ পূৰ্বাঞ্চলত মহাকাশ প্ৰযুক্তিৰ শিক্ষা, দক্ষতা বিকাশ, গৱেষণা আৰু উন্নয়নৰ পথ প্ৰশস্ত কৰাৰ উদ্দেশ্যে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটী আৰু এয়াৰ বাছ্ ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ মাজত এখন চুক্তি স্বাক্ষৰিত হয়।

৩। স্বাস্থ্য মন্ত্ৰালয়ে দেশত যক্ষ্মা ৰোগৰ নতুন চমু আৰু অধিক ফলপ্ৰসূ চিকিৎসাত অনুমোদন জনাইছে।

৪। ৱাকফ সংশোধনী বিধেয়ক-২০২৪ বিষয়ক সংসদীয় যুটীয়া কমিটিৰ এখন বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হয়।

***আৰু***

৫। ভাৰতৰ প্ৰবীণ কুমাৰে পেৰিছ পেৰালিম্পিকৰ পুৰুষৰ হাইজাম্পৰ টি ছিক্সটি ফʼৰ শিতানত সোণৰ পদক অৰ্জন কৰিছে।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মাতৃভাষাত শিক্ষা গ্ৰহণৰ গুৰুত্বত আলোকপাত কৰিছে। নতুন দিল্লীৰ বাসগৃহত আজি বিয়লি ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটা প্ৰাপক শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সৈতে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰভাৱ সম্পৰ্কে আলোচনা কৰি শ্ৰীমোদীয়ে এই কথা সদৰী কৰে। তেওঁ শিক্ষকসকলে বিভিন্ন ভাষাত শিক্ষাৰ্থীসকলক স্থানীয় সাধুকথা কʼবলৈ পৰামৰ্শ আগবঢ়ায়, যাতে শিক্ষাৰ্থীসকলে ভিন ভিন ভাষা শিকিব পাৰে আৰু ভাৰতৰ সজীৱ সংস্কৃতিৰ পৰিচয় লাভ কৰিব পাৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে, শিক্ষক-শিক্ষয়িত্ৰীসকলে শিক্ষাৰ্থীসকলক দেশৰ বৈচিত্ৰ্যৰ বিষয়ে অৱগত কৰোৱাৰ বাবে শিক্ষামূলক ভ্ৰমণলৈ লৈ যাব পাৰে। ইয়াৰ ফলত শিক্ষাৰ্থীসকলে নতুন কথা শিকিব পাৰিব আৰু নিজৰ দেশৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব পাৰিব। এই কাৰ্য্যই পৰ্য্যটনৰ প্ৰসাৰত আৰু স্থানীয় অৰ্থ-ব্যৱস্থা টনকিয়াল কৰাত সহায় কৰিব বুলি প্ৰধানমন্ত্ৰীয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে পুৰস্কাৰ প্ৰাপক শিক্ষক-শিক্ষয়িত্ৰীসকলক সামাজিক মাধ্যমৰ জৰিয়তে পৰস্পৰৰ সৈতে যোগাযোগ স্থাপন কৰিবলৈ পৰামৰ্শ আগবঢ়ায়। শ্ৰীমোদীয়ে শিক্ষক-শিক্ষয়িত্ৰীসকলক পৰস্পৰৰ সৰ্বশ্ৰেষ্ঠ প্ৰথাৰ বিষয়ে অৱগত কৰিবলৈও পৰামৰ্শ দিয়ে। পুৰস্কাৰ বিজয়ী শিক্ষক-শিক্ষয়িত্ৰীসকলে প্ৰধানমন্ত্ৰীৰ সৈতে শিক্ষণ অভিজ্ঞতা ভগাই লয়। তেওঁলোকে লগতে শিক্ষণ প্ৰক্ৰিয়া অধিক আকৰ্ষণীয় কৰি তোলাৰ বাবে প্ৰয়োগ কৰা আমোদজনক কিটিপৰ বিষয়ে প্ৰকাশ কৰে। শিক্ষক-শিক্ষয়িত্ৰীসকলে নিয়মীয়া শিক্ষণ কাৰ্য্যৰ লগতে সামাজিক কাম-কাজৰো উদাহৰণ দিয়ে। প্ৰধানমন্ত্ৰীয়ে শিক্ষণৰ প্ৰতি শিক্ষক-শিক্ষয়ীত্ৰীসকলে নিষ্ঠা আৰু বছৰ বছৰ ধৰি তেওঁলোকে প্ৰদৰ্শন কৰা উৎসাহৰ ভূয়সী প্ৰশংসা কৰে।

ooooooooo

উত্তৰ পূৰ্বাঞ্চলত মহাকাশ প্ৰযুক্তিৰ শিক্ষা, দক্ষতা বিকাশ, গৱেষণা আৰু উন্নয়নৰ পথ প্ৰশস্ত কৰাৰ উদ্দেশ্যে আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটী আৰু এয়াৰ বাছ ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ মাজত এখন চুক্তি স্বাক্ষৰিত হয়। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান গুৱাহাটীৰ হৈ সঞ্চালক প্ৰফেচাৰ দেবেন্দ্ৰ জালিহাল আৰু এয়াৰ বাছ ইণ্ডিয়া প্ৰাইভেট লিমিটেডৰ হৈ উপাধ্যক্ষ সূৰয চেত্ৰীয়ে এই চুক্তিত স্বাক্ষৰ কৰে। এই চুক্তিয়ে অসমত উদ্ভাৱন, উৎকৰ্ষ সাধন আৰু মহাকাশ প্ৰযুক্তিৰ ভৱিষ্যৎ তথা পৰিবহণ কেন্দ্ৰৰ বিকাশৰ প্ৰতিশ্ৰুতিৱদ্ধতা অনুসৰি এই চুক্তি সম্পন্ন কৰা হৈছে। এই চুক্তিৰ অধীনত পৰিবহণ, আতিথ্য, উদ্যোগ, দক্ষতা বিকাশ, কৃষি আদি ক্ষেত্ৰত সমন্বয় গঢ়ি তোলা হ'ব। এই উপলক্ষে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কয় যে, এই চুক্তিখনে দক্ষতাৰ ব্যৱধান দূৰ কৰাৰ লগতে বহনক্ষম উন্নয়নত গতি প্ৰদান কৰিব আৰু উত্তৰ পূৰ্বাঞ্চলত বিমান সেৱা আৰু পৰিবহণ খণ্ডত প্ৰতিযোগিতা বৃদ্ধি কৰিব। শ্ৰী শৰ্মাই শক্তিশালী আৰু গতিশীল কৰ্মশক্তিৰ সৃষ্টি আৰু বিমান পৰিবহণৰ দিশৰ পৰা এই চুক্তিখনক উল্লেখনীয় পদক্ষেপ বুলি অভিহিত কৰে।

শেহতীয়াকৈ অসমৰ অৰ্ধ-পৰিবাহী উদ্যোগ, পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ শোধন, পলিমাৰ, কৃষি, পৰ্য্যটন, বিমান পৰিবহণ আদি ক্ষেত্ৰত চকুত লগা ধৰণৰ বিকাশ হোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, এই চুক্তিখনে ৰাজ্যৰ বিকাশ প্ৰক্ৰিয়া অধিক ত্বৰান্বিত কৰিব।

ooooooooo

স্বাস্থ্য মন্ত্ৰালয়ে দেশত যক্ষ্মা ৰোগৰ নতুন চমু আৰু অধিক ফলপ্ৰসূ চিকিৎসাত অনুমোদন জনাইছে। মন্ত্ৰালয়ে আজি এটা বিবৃতিযোগে কৈছে যে, ৰাষ্ট্ৰীয় যক্ষ্মা নিৰ্মূলকৰণ কাৰ্য্যসূচীৰ অধীনত প্ৰৱৰ্তন কৰা এই চিকিৎসা অধিক ফলপ্ৰসূ আৰু ইয়াৰ বাবে কম সময়ৰ প্ৰয়োজন। এই ব্যৱস্থাই যক্ষ্মা ৰোগ নিৰ্মূলকৰণৰ ৰাষ্ট্ৰীয় লক্ষ্যত উপনীত হোৱাত যথেষ্ট সহায় কৰিব।

ooooooooo

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটৰ ফোন ইন দৃষ্টিপাত অনুষ্ঠানত **উত্তৰ পূৰ্বাঞ্চলত ৰেলৱে'ৰ আধুনিকীকৰণ** সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য জনসম্পৰ্কৰক্ষী বিষয়া কপিঞ্জল কিশোৰ শৰ্মা সমল ব্যক্তি হিচাপে উপস্থিত

থাকিব। আগ্ৰহী শ্ৰোতাই অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰত ফোন কৰি শ্ৰী শৰ্মাৰ সৈতে কথা পাতিব পাৰিব।

০০০০০০০০০

ৱাকফ সংশোধনী বিধেয়ক-২০২৪ বিষয়ক সংসদীয় যুটীয়া কমিটিৰ এখন বৈঠক আজি নতুন দিল্লীত অনুষ্ঠিত হয়। বৈঠকত ভাৰতীয় প্ৰত্নতত্ব জৰীপ বিভাগ, জকাট ফাউণ্ডেচন অৱ ইণ্ডিয়া আৰু তেলেংগানা ৱাকফ ব'ৰ্ডৰ প্ৰতিনিধিসকলে দিহা-পৰামৰ্শ আগবঢ়ায়। লোকসভাৰ সাংসদ জগদম্বিকা পালৰ অধ্যক্ষতাত গঠন কৰা কমিটিখনত নিম্ন সদনৰ ২১ গৰাকী আৰু উচ্চ সদনৰ ১০ গৰাকী সদস্য আছে। ৱাকফ সংশোধনী বিধেয়ক-২০২৪ৰ জৰিয়তে ৱাকফ সম্পত্তিৰ প্ৰশাসন আৰু ব্যৱস্থাপনা নিখুঁট কৰি তুলিব বিচৰা হৈছে। বিধেয়কখনত ১৯৯৫ চনত ৱাকফ আইনখনক একীকৃত ৱাকফ ব্যৱস্থাপনা, সৱলীকৰণ, কাৰ্য্য দক্ষতা আৰু উন্নয়ন আইন ১৯৯৫ হিচাপে নামকৰণ কৰাৰ ব্যৱস্থা আছে। বিধেয়কখনত ৱাকফ সম্পত্তিৰ জৰীপৰ বাবে জৰীপ আয়ুক্তৰ ঠাইত জিলাধিপতি অথবা উপ-জিলাধিপতিৰ সমকক্ষ বা তাতকৈ ওপৰৰ পদবীৰ কোনো বিষয়াক মনোনীত কৰাৰ ব্যৱস্থা কৰা হৈছে। বিধেয়কখনত কেন্দ্ৰীয় ৱাকফ পৰিষদ আৰু ৰাজ্যিক ৱাকফ পৰিষদসমূহৰ সদস্যৰ সংখ্যা বৃদ্ধি আৰু পৰিষদসমূহত মুছলমান মহিলা আৰু আন সম্প্ৰদায়ৰ প্ৰতিনিধিত্বৰ ব্যৱস্থা আছে। বিধেয়কখনত বোহৰা আৰু আগাখানি সম্প্ৰদায়ৰ বাবে সুকীয়া পৰিষদ গঠনৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰ উপৰি ৱাকফ সংশোধন-২০২৪ৰ অধীনত চিয়া, চুন্নী, বোহৰা, আগাখানি আৰু অনগ্ৰসৰ মুছলমান শ্ৰেণীৰ সদস্য অন্তৰ্ভুক্ত কৰাৰ ব্যৱস্থা কৰা হৈছে। বিধেয়কখনত দুগৰাকী সদস্যৰে ন্যায়াধিকৰণ গাঁথনিৰ সংস্কাৰ সাধন আৰু ন্যায়াধিকৰণৰ ৰায়ৰ বিৰুদ্ধে ৯০ দিনৰ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত উচ্চ ন্যায়ালয়ত আপীলৰ ব্যৱস্থা আছে। ৱাকফ সংশোধনী বিধেয়ক-২০২৪ লোকসভাৰ ৱেবচাইটত হিন্দী আৰু ইংৰাজী ভাষাত উপলব্ধ। বাজেট অধিৱেশনৰ সময়ত লোকসভাত উত্থাপন কৰা এই বিধেয়কখন সংসদৰ যুটীয়া কমিটিলৈ প্ৰেৰণ কৰা হৈছে।

০০০০০০০০০

কেন্দ্ৰীয় বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী পীযুষ গোয়েলে আজি কৈছে যে, ভাৰত-মধ্য প্ৰাচ্য-ইউৰোপৰ অৰ্থনৈতিক ক'ৰিডৰ চমুকৈ আই এম ই চি হৈছে ভাৰতৰ সামুদ্ৰিক সুৰক্ষা আৰু ইউৰোপ আৰু এছিয়াৰ মাজত সামগ্ৰীৰ সৰবৰাহ খৰতকীয়া কৰাৰ বাবে এটা গুৰুত্বপূৰ্ণ পদক্ষেপ। মন্ত্ৰীগৰাকীয়ে আজি নতুন দিল্লীত ভাৰত-মধ্য প্ৰাচ্য-ইউৰোপৰ বাণিজ্য সন্মিলন-২০২৪ মুকলি কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰতৰ জি টুৱেণ্টিৰ অধ্যক্ষতাৰ সময়ত এই আই এম ই চি মুকলি কৰা হৈছিল। ভাৰত, ইউৰোপ আৰু মধ্য প্ৰাচ্যৰ সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ, চৌদী আৰব, জৰ্দান, ইজৰাইল আৰু ইউৰোপীয় সংঘক একত্ৰিত কৰাৰ উদ্দেশ্যেৰে ইয়াক গঠন কৰা হৈছিল। তেওঁ লগতে কয় যে, এই অঞ্চলত ভাল সহযোগিতা গঢ়ি উঠিলে সামগ্ৰীৰ সৰবৰাহৰ ব্যয় হ্ৰাস, খৰতকীয়া যোগাযোগ আৰু সুকলমে সামগ্ৰী সৰবৰাহ কৰিব পৰা যাব।

০০০০০০০০০

বিজেপিয়ে কলকাতাৰ এগৰাকী চিকিৎসকৰ ধৰ্ষণ আৰু হত্যাৰ ঘটনাক লৈ পশ্চিম বংগ চৰকাৰক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত দলৰ মুখপাত্ৰ সম্বিত পাত্ৰাই কয় যে, ঘটনাৰ বলি হোৱা চিকিৎসকগৰাকীৰ পিতৃয়ে জিলাধিপতিয়ে ধনৰ প্ৰস্তাৱ দিয়া বুলি আৰু তেওঁ

সেই প্ৰস্তাৱ প্ৰত্যাখ্যান কৰা বুলি অভিযোগ উত্থাপন কৰিছে। শ্ৰীপাত্ৰাই কয় যে, এই ঘটনাক লৈ লুকাবলগীয়া এনে কি আছিল, যাৰ বাবে তৃণমূল চৰকাৰে বিষয়াগৰাকীক ধনৰ প্ৰস্তাৱ লৈ ভুক্তভোগী পৰিয়ালৰ ওচৰলৈ প্ৰেৰণ কৰিছিল।

০০০০০০০০০

ভাৰতৰ প্ৰবীণ কুমাৰে পেৰিছ পেৰালিম্পিকৰ পুৰুষৰ হাইজাম্পৰ টি ছিক্সটি ফ'ৰ শিতানত সোণৰ পদক অৰ্জন কৰিছে। প্ৰবীণে আজি ফাইনেলত ২ দশমিক ০-৮ মিটাৰৰ নতুন অভিলেখেৰে শীৰ্ষ স্থান দখল কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ লোছিডেন দেৰেকে ৰূপৰ আৰু উজবেকিস্তানৰ গিয়াজোভ টেমুৰবেকে ব্ৰঞ্জৰ পদক লাভ কৰে। ভাৰতে  বৰ্তমানলৈকে ছটা সোণ, ৯ টা ৰূপ আৰু ১১ টা ব্ৰঞ্জসহ মুঠ ২৬ টা পদক লাভ কৰি প্ৰতিযোগিতাৰ পদক তালিকাৰ চতুৰ্দশ স্থানত আছে। প্ৰতিযোগিতাৰ আজি নৱম দিনা ভাৰতীয় খেলুৱৈসকল বিভিন্ন শিতানত পদকৰ যুঁজত অৱতীৰ্ণ হ'ব। ইয়াৰ ভিতৰত কস্তুৰী ৰাজামণিয়ে মহিলাৰ পাৱাৰলিফ্‌টিঙৰ ৬৭ কিলোগ্ৰাম ওজন শাখাৰ ফাইনেলত দেশক প্ৰতিনিধিত্ব কৰিব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা প্ৰায় চাৰে ৮ বজাত আৰম্ভ হ'ব। একেদৰে, ভাৱনাবেন এ চৌধৰী মহিলাৰ জেভলিন থ্ৰ'ৰ এফ ফ'ৰ্টি ছিক্স শিতানৰ ফাইনেলত অৱতীৰ্ণ হ'ব। এই শিতানৰ খেল নিশা চাৰে ৯ বজাত আৰম্ভ হ'ব। ইপিনে, সোমন ৰাণা আৰু হোকাটো হটোজেচেমাই পুৰুষৰ শ্বটপুটৰ এফ ফিফটি চেভেনৰ ফাইনেলত দেশৰ হকে পদক জয়ৰ চেষ্টা চলাব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা প্ৰায় ১০ বাজি ৩৪ মিনিটত আৰম্ভ হ'ব। ইফালে, দিলীপ গৱিতে পুৰুষৰ ৪০০ মিটাৰৰ দৌৰৰ টি ফ'ৰ্টি চেভেন শিতানৰ প্ৰথম ৰাউণ্ডৰ হিট ৰানত তৃতীয় স্থান দখল কৰি ফাইনেলত স্থান নিশ্চিত কৰিছে। একেদৰে, য়শ কুমাৰে পুৰুষৰ কায়কিঙৰ ২০০ মিটাৰৰ ছিংগলছৰ কে এল ৱান শিতানৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পেৰিছ পেৰালিম্পিকৰ পুৰুষৰ হাইজাম্পত সোণৰ পদক অৰ্জন কৰা প্ৰবীণ কুমাৰক অভিনন্দন জনাইছে।

০০০০০০০০০

**সমাপ্ত**